# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-04-2025
**Time :** 1910 Hrs.

## *Assamese Evening Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সপ্তাহতে চৌদি আৰৱৰ জেদ্দা ভ্ৰমণলৈ ৰাওনা হ'ব।

২। ভূটানৰ ৰজাই যোগীঘোপাত নিৰ্মীয়মান মাল্টি মডেল লজিষ্টিক পাৰ্ক আৰু আভ্যন্তৰীন জলপথ টাৰ্মিনেল পৰিদৰ্শনৰ কৰি ইয়াৰ সুবিধাসমূহৰ বুজ লয়।

৩। জম্মুৰ ৰামবান জিলাৰ চেৰিবাগনা অঞ্চলত কালি নিশা ডাৱৰ বিস্ফোৰণৰ ফলত ভূমিস্খলন হোৱাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে।

৪। কানাডাৰ ৱানকৌৱাৰৰ এটা বিখ্যাত গুৰুদ্বাৰ খালিস্তান পন্থীয়ে ধবংস কৰাৰ পাছত স্থানীয় শিখ সম্প্ৰদায়ৰ মাজত উত্তেজনা বিৰাজ কৰা পৰিলক্ষিত হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি অনুষ্ঠিত প্ৰথমখন খেলত পাঞ্জাব কিংছৰ বিৰুদ্ধে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ ৭ উইকেটত জয় লাভ।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সপ্তাহতে চৌদি আৰৱৰ জেদ্দা ভ্ৰমণলৈ ৰাওনা হ'ব। এয়া হ'ব, বিগত চাৰিটা দশকৰ ভিতৰত চৌদি আৰৱৰ ব্যৱসায়িক কেন্দ্ৰলৈ কোনো ভাৰতীয় নেতাৰ প্ৰথমটো ভ্ৰমণ। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে অৰ্থনৈতিক, প্ৰতিৰক্ষা, সাংস্কৃতিক আৰু কৌশলগত সহযোগিতাৰ দিশত বিশেষ গুৰুত্ব বহন কৰিব বুলি আশা কৰা হৈছে। ভাৰত আৰু চৌদি আৰৱে অৰ্থনৈতিক অংশীদাৰিত্বৰ লগতে শতিকা পুৰণি বন্ধুত্বক উচ্চ পৰ্যায়ৰ পাৰস্পৰিক বিনিময় আৰু কৌশলগত চুক্তিৰ মাধ্যমেৰে বিগত দশকবোৰত আৰু শক্তিশালী হৈ উঠিছে।

০০০০০০০

ভূটানৰ ৰজা জিগমে খেছাৰ নামগিয়ান ৱাংচুকে আজি যোগীঘোপাত নিৰ্মীয়মান মাল্টি মডেল লজিষ্টিক পাৰ্ক আৰু আভ্যন্তৰীন জলপথ টাৰ্মিনেল পৰিদৰ্শন কৰি ইয়াৰ সুবিধাসমূহৰ বুজ লয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ সূত্ৰই জনোৱা মতে আভ্যন্তৰীন জলপথ টাৰ্মিনেল আৰু মাল্টি মডেল লজিষ্টিক পাৰ্কৰ জৰিয়তে বাণিজ্য আৰু আঞ্চলিক উন্নয়নৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। মন্ত্ৰ্যালয়ৰ সূত্ৰ মতে, প্ৰতিৰেশী প্ৰথম নীতিৰ অংশহিচাপে ভূটানৰ সৈতে বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা তথা জনসাধাৰণৰ মাজত সম্পৰ্ক স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভালেমান সংযোগীকৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। সূত্ৰটোৱে আৰু জনাইছে যে, যোগীঘোপাত নিৰ্মাণ কৰা আভ্যন্তৰীন জলপথ টাৰ্মিনেলটো চলিত বছৰৰ ফেব্ৰুৱাৰীত মুকলি কৰা হৈছিল। এই প্ৰকল্পটো অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ আন্তঃগাঁথনি প্ৰকল্পৰূপে বিবেচিত হোৱাৰ লগতে ই অঞ্চলটোত যোগাযোগ ব্যৱস্থাতো সহায়ক হৈছে।

কালি অসমলৈ অহা ভূটানৰ ৰজাগৰাকীক মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই আদৰণি জনায়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম এক্সত ভূটানৰ ৰজাগৰাকীৰ অসম আগমণক আদৰণি জনাইছে। উল্লেখযোগ্য যে, এই মাহৰ প্ৰথম ভাগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বেংককত অনুষ্ঠিত ষষ্ঠ বিমষ্টেক সন্মিলনত ভূটানৰ প্ৰধানমন্ত্ৰী চেৰিং টবগেৰ সৈতে হোৱা আলোচনাত বিভিন্ন ক্ষেত্ৰত ভাৰতে ভূটানক সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰিছিল।

০০০০০০০

জম্মুৰ ৰামৱান জিলাৰ চেৰিৱাগনা অঞ্চলত কালি নিশা ডাৱৰ বিস্ফোৰণৰ ফলত ভূমিস্খলন হোৱাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। এই ঘটনাত দুগৰাকী শিশু আৰু এগৰাকী বয়োজ্যেষ্ঠ লোককে ধৰি মুঠ ৩ জন লোকৰ মৃত্যু হৈছে। ১০০কৈও অধিক লোকক উদ্ধাৰ কৰা হৈছে। চৰকাৰী সূত্ৰই জনোৱা মতে যোৱানিশা অঞ্চলটোত প্ৰচণ্ড শিলা বৃদ্ধি কেইবাটাও ঠাইত ভূমিস্খলন আৰু প্ৰবল ধুমুহা হৈছিল। ভূমিস্খলন আৰু কৃত্ৰিম বানৰ ফলত অঞ্চলটোৰ বহু সা-সম্পত্তি আৰু যান-বাহনৰ ক্ষতি হয়।

ইপিনে, তুষাৰপাতৰ ফলত এটা দিনৰ বাবে গাড়ীৰ চলাচল বন্ধ কৰি ৰখা জন্মু-কাশ্মীৰৰ ঐতিহাসিক মোগল পথটো আজি পুনৰ মুকলি কৰি দিয়া হৈছে। এই পথটোৱে জম্মুৰ দুখন সীমান্ত জিলা ৰাজৌৰি আৰু পুঞ্চক কাশ্মীৰ উপত্যকাৰ চফিয়ান জিলাৰ লগত সংযোগ কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা মতে, তুষাৰপাতৰ ফলত এটা দিনৰ বাবে এই পথেৰে যাতায়ত বন্ধ কৰি দিয়াৰ পাছত আজি পথটোৱে পুঞ্চৰ পৰা চফিয়ান জিলালৈ যাত্ৰাৰ বাবে লঘু যান-বাহনৰ চলাচলত অনুমতি দিয়া হৈছে। ইপিনে, ৪৪ নম্বৰ  জম্মু-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথ, শ্ৰীনগৰ-সোনমাৰ্গ-গুমৰী পথ আৰু চিন্থন পথ প্ৰতিকূল বতৰ আৰু পথৰ দূৰৱস্থাৰ বাবে বন্ধ কৰি ৰখা হৈছে। পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত কৰ্তৃপক্ষই এইকেইটা পথেৰে যাত্ৰা নকৰিবলৈ আৰু চৰকাৰী সূত্ৰৰ মাধ্যমেৰে সময়ৰ সঠিক তথ্য লাভৰ বাবে যাত্ৰীসকলৰ প্ৰতি আহ্বান জনাইছে। পথৰ অৱস্থাৰ বিষয়ে জানিবলৈ আৰু যিকোনো সহায়ৰ বাবে যাত্ৰীসকলে জম্মুৰ বাবে ০১৯১-২৪৫৯০৪৮, ০১৯১-২৭৪০৫৫০, ৯৪১৯১৪৭৭৩২, শ্ৰীনগৰৰ বাবে ০১৯৪-২৪৫০০২২, ২৪৮৫৩৯৬, ৰামবানৰ বাবে ৯৪১৯৯৯৩৭৪৫, খিষ্টৱাৰৰ বাবে ৯৯০৬১৫৪১০০, উধামপুৰৰ বাবে ৮৪৯১৯২৮৬২৫ আদি হেল্পলাইন নম্বৰত যোগাযোগ কৰিব পাৰে। যাত্ৰীসকলে চৰকাৰী যানবাহন আৰক্ষীৰ টুইটাৰ হেণ্ডেল, ফেচবুক পেজলৈ গৈ সবিশেষ তথ্য লাভ কৰিব পাৰে।

০০০০০০০

লাডাখত যোৱা শনিবাৰৰ পৰা তীব্ৰ তুষাৰপাত হোৱাৰ ফলত লেহ পাৰ্বত্য পৰিষদে সকলো জৰুৰীকালীন সেৱা বিভাগ আৰু কৰ্মীসকলৰ বাবে সতৰ্কতা জাৰী কৰিছে। মুখ্য কাৰ্যবাহী কাউন্সিলাৰ তাছী গ্যালচনে সংশ্লিষ্ট সকলো বিষয়াক সতৰ্ক হৈ থকাৰ লগতে যিকোনো জৰুৰী আহ্বানৰ প্ৰতি তৎকালীনভাৱে সঁহাৰি দিবলৈ নিৰ্দেশ দিছে। অঞ্চলটোৰ দুৰ্যোগ সঁহাৰি বাহিনী ইতিমধ্যে সাজু কৰি ৰখা হৈছে। অঞ্চলটোৰ কৃষি আৰু উদ্যান শস্য খণ্ড ইতিমধ্যে ক্ষতিগ্ৰস্ত হৈছে। ৰাজহুৱা সম্পত্তি তথা জীৱন ধাৰণৰ সৈতে জড়িত আন্তগাঁথনিসমূহত হোৱা ক্ষয়-ক্ষতিৰ সমীক্ষা চলাবলৈ ইতিমধ্যে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। লেহত ৮ ঘণ্টা পৰ্যন্ত বিদ্যুৎ সেৱা ব্যাহত থকাৰ পাছত সম্প্ৰতি এই সেৱা পুনৰ প্ৰৱৰ্তন কৰা হৈছে। লেহ-শ্ৰীনগৰ ৰাষ্ট্ৰীয় ঘাইপথ তথা অন্যান্য প্ৰধান পথসমূহ ভূমিস্খলনৰ বাবে বন্ধ হৈ আছে। তদুপৰি লেহলৈ সকলো বিমান বাতিল কৰা হৈছে। স্থানীয় অধিবাসী তথা পৰ্যটকসকলক সুৰক্ষা নিয়মাৱলী অনুসৰণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

০০০০০০০

কানাডাৰ ৱানকৌৱাৰৰ এটা বিখ্যাত গুৰুদ্বাৰ খালিস্তান পন্থীয়ে ধ্বংস কৰাৰ পাছত স্থানীয় শিখ সম্প্ৰদায়ৰ মাজত উত্তেজনা বিৰাজ কৰা পৰিলক্ষিত হৈছে। স্থানীয়ভাৱে ৰচ ষ্ট্ৰিট হিচাপে খ্যাত খালচা দিৱান চ'চাইটী গুৰুদ্বাৰটো দুষ্কৃতিকাৰীয়ে ধ্বংস কৰে। গুৰুদ্বাৰ প্ৰশাসনে সামাজিক মাধ্যম এক্সত শ্বেয়াৰ কৰা আলোকচিত্ৰসমূহত গুৰুদ্বাৰটোৰ কেইবাটাও স্থানত খালিস্তান লিখা থকা পৰিলক্ষিত হয়। ব্ৰিটিছ কলম্বিয়াৰ সুৰেই মহানগৰত বিশ্বৰ সৰ্ববৃহৎ বৈশাখী সমদল আয়োজন কৰাৰ দিনাই কালি পুৱা এই ঘটনা পোহৰলৈ আহে। কানাডাৰ সংবাদ মাধ্যমে সদৰী কৰা অনুসৰি আৰক্ষীয়ে ঘটনা সন্দৰ্ভত অনুসন্ধান অব্যাহত ৰাখিছে। খালচা দিৱান চ'চাইটীয়ে এটা বিবৃতিৰ জৰিয়তে এই ঘটনাক গৰিহণা দি কয়, যে এই কাৰ্যৰ জৰিয়তে সম্প্ৰদায়টোৰ মাজত ভয় বিয়পোৱাৰ অপচেষ্টা চলোৱা হৈছে তথা সম্প্ৰদায়টোৰ মাজত বিভেদ আনিব বিচৰা হৈছে।

০০০০০০০

Desert Flag-10 অনুশীলন কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে ভাৰতীয় বায়ুসেনাৰ এটা দল সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ আল ধাফ্ৰাৰ বায়ুঘাটিত উপস্থিত হৈছে। সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ বায়ুসেনাই আয়োজন কৰা এই অনুশীলনত অষ্ট্ৰেলিয়া, বাহৰেইন, ফ্ৰান্স, জাৰ্মানী, তুৰস্ক, কাটাৰ, চৌদি আৰব, কোৰিয়া সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ, ব্ৰিটেইন আৰু আমেৰিকাৰ বায়ুসেনা বাহিনীয়েও অংশগ্ৰহণ কৰিছে। কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া এই অনুশীলন অহা ৮ মে'ত সামৰণি পৰিব।

০০০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ঘোষণা কৰা ৩০ ঘণ্টীয়া ইষ্টাৰ যুদ্ধ বিৰতি ইউক্ৰেইনে ভংগ কৰা বুলি ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে অভিযোগ কৰিছে। ইপিনে, ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে কয়, যে ৰাছিয়াইহে ইউক্ৰেইনৰ ওপৰত ধাৰাবাহিকভাৱে আক্ৰমণ চলাই আহিছে। যুদ্ধ বিৰতি ৩০ দিনলৈ বৃদ্ধি কৰাৰ বাবে জেলনস্কিয়ে আগবঢ়োৱাৰ পূৰ্বৰ প্ৰস্তাৱটো ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিগৰাকীয়ে পুনৰ উল্লেখ কৰিছে। উল্লেখযোগ্য যে, ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত চলি থকা দীৰ্ঘদিনীয়া সংঘাতৰ পাছতো ইষ্টাৰ উপলক্ষে দুই দেশৰ মাজত ভালেসংখ্যক যুদ্ধবন্দী প্ৰত্যাৰ্পণ কৰা হৈছে।

০০০০০০০

বিদেশী বিনিয়োগকাৰীসকলে দেশৰ ইকুৱিটি বজাৰত ৮ হাজাৰ ৫০০ কোটি টকা বিনিয়োগ কৰিছে। গোলকীয় বাণিজ্য ক্ষেত্ৰৰ প্ৰত্যাহ্বানৰ পৰা সুৰক্ষাৰ লগতে আমেৰিকান ডলাৰৰ মূল্য হ্ৰাস, শক্তিশালী ঘৰুৱা অৰ্থনীতি তথা বিনিয়োগকাৰীসকলৰ বিশ্বাস ঘূৰি অহাৰ জৰিয়তে বিদেশী প্ৰতিষ্ঠানগত বিনিয়োগকাৰীসকলৰ এই শক্তিশালী প্ৰত্যাৱৰ্তন সম্ভৱ হৈ উঠিছে। প্ৰকাশিত তথ্য অনুসৰি যোৱা ১৮ এপ্ৰিলত সমাপ্ত হোৱা সপ্তাহটোত ইকুৱিটি বজাৰত ৮ হাজাৰ ৪৭২ কোটি টকাৰ বিদেশী বিনিয়োগ হয়।

০০০০০০০

ৰাছিয়াৰ মহাকাশচাৰী এলেক্সেই অৱচিনিন আৰু ইভান ৱাগনাৰ তথা আমেৰিকাৰ ডনাল্ড পেটীত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত ৭ মহীয়া এটা অভিযানৰ অন্তত পৃথিৱীলৈ ওভতি আহিছে। ৰাছিয়াৰ চয়ুজ এম এছ্-২৬ মহাকাশযানখন এই তিনিওগৰাকী মহাকাশচাৰীসহ আজি পুৱাৰ ভাগত কাজাখস্তানৰ ঝেজকাজগানৰ দক্ষিণ-পূব প্ৰান্তত অৱতৰণ কৰে। ৰাছিয়াৰ ৰচকমমচ মহাকাশ সংস্থা তথা নাছাই এই তথ্য সদৰী কৰিছে। নাছাই প্ৰকাশ কৰা অনুসৰি মহাকাশযাত্ৰী তিনিওগৰাকীক কাৰাগাণ্ডাত বিশেষ তত্বাৱধানত ৰখা হৈছে।

০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি চণ্ডীগড়ত অনুষ্ঠিত খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে পাঞ্জাৱ কিংছক ৭ উইকেট পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ১৫৮ ৰাণ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৩টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰে। দলৰ হৈ বিৰাট কোহলীয়ে ৭৩ ৰাণত অপৰাজিত থাকে। অধিনায়ক ৰজত পাডিকালে ৬১ ৰাণৰ বৰঙণি আগবঢ়ায়। ইয়াৰ পূৰ্বে টছত হাৰি প্ৰথমে বেটিঙৰ আমন্ত্ৰণ লাভ কৰা পাঞ্জাৱ কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৫৭ ৰাণ সংগ্ৰহ কৰে। পাঞ্জাৱৰ হৈ প্ৰভসীমৰণ সিঙে ৩৩, শশাংক সিঙে ৩১, জছ্ ইংলিছে ২৯ আৰু মাৰ্ক' জানছেনে ২৫ ৰাণৰ বৰঙণি আগবঢ়ায়। বেংগালুৰুৰ হৈ ক্ৰুণাল পাণ্ডিয়া আৰু সুয়াছ শৰ্মাই দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে ৰোমাৰীঅ' ছেফাৰ্ডে এটা উইকেট দখল কৰে।

ইপিনে প্ৰতিযোগিতাৰ আনখন খেলত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত খন্তেক পাছতেই মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে মুখামুখি হ'ব। খেলখনত টছত জিকি মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়।

০০০০০০

**সমাপ্ত**